জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৩/২০২০

**মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীয়ে সাক্ষাৎ কৰিলে ৰাজ্যপালক**

# ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহ অৱগত কৰিলে ৰাজ্যপালক

**দিছপুৰ, ২০ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজভৱনত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীক সাক্ষাৎ কৰি ৰাজ্যখনৰ সাম্প্ৰতিক ক'ভিড-১৯ ৰ স্থিতি অৱগত কৰে।

সাক্ষাৎ কালত মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে ৰাজ্যখনত কৰ'ণা ভাইৰাছৰ প্ৰাদুৰ্ভাব ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ উপৰি ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক এইখিনি সময়ত উপকৃত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে অৱগত কৰে। ৰাজ্যখনত লক ডাউনৰ সময়ছোৱাত চৰকাৰে গ্ৰহণ কৰা বিধি ব্যৱস্থাৰ বিষয়েও মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্য মন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে। ৰাজ্যখনৰ দুখীয়া জনসাধাৰণক এইখিনি সময়ত সকাহ প্ৰদানৰ বাবে তথা ৰাজ্যখনত অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহ অটুত ৰখাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে।ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সময়োচিত পদক্ষেপৰ বাবে কৰ'ণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ দিশত ৰাজ্য চৰকাৰে বৰ্তমানে লাভ কৰা সফলতাৰ বিষয়েও মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে ৰাজ্যপালক অৱগত কৰে। ক'ভিড-১৯ ৰ চিকিৎসাৰ দিশত ৰাজ্য চৰকাৰে গঢ়ি তোলা আন্তঃগাঁথনীগত সা-সুবিধা সৃষ্টিৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে ৰাজ্যপালক অৱগত কৰে।

**বঃভাঃ / পুঃডেঃ / সুঃদঃ**
**২০/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in